**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন। দুটা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।
২।	ৰাজ্যৰ উন্নয়ন তথা বিকাশৰ সাক্ষী হোৱাৰ বাবে উপ-ৰাষ্ট্ৰপতিক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অসমলৈ আমন্ত্ৰণ।
৩।	বিশিষ্ট সাংবাদিক, আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ অধ্যক্ষ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দেহাৱসান।
৪।	চলিত বৰ্ষত অসমত ১২টা বাঘৰ মৃত্যুৰ তথ্য ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণৰ প্ৰকাশ।	**আৰু**
৫।	ধৰমশালাত অনুষ্ঠিত টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৭ উইকেটত ভাৰতৰ জয়লাভ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ডিচেম্বৰত অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱ-নিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্ত-গাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। এক্ট-ইষ্ট নীতিৰ অংশ হিচাপে নিৰ্মাণ কৰা এই অত্যাধুনিক বিমান বন্দৰ টাৰ্মিনেলে বছৰি ১ কোটি ৩১ লাখ যাত্ৰীক সেৱা আগবঢ়াব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে ইতিমধ্যে ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু অন্যান্য বিষয়াসকলে যাৱতীয় প্ৰস্তুতি গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে নামৰূপত এখন জনসভাতো অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া সভাস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু বিভাগীয় বিষয়াৰ সৈতে এখন পৰ্যালোচনা সভাতো ভাগ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব। তেওঁ ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

**বাইট (সৰ্বানন্দ)**

শ্ৰীসোণোৱালে নামৰূপত নিৰ্মাণ হ'বলগীয়া সাৰ নগৰী বৰনামঘৰ চৌহদৰ পকী দেৱাল নিৰ্মাণৰ কামৰো শুভাৰম্ভ কৰে। অসম চৰকাৰৰ বিশেষ পুঁজিৰে এই দেৱাল নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নামঘৰত সেৱা লৈ ৰাজ্যবাসীৰ কুশল কামনা কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত-বিনিময় কৰে। শ্ৰীসোণোৱালক সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক তৰংগ গগৈ আৰু ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি কেইবাগৰাকী বিষয়াই সংগ দিয়ে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসমত শেহতীয়াকৈ হোৱা উন্নয়ন তথা বিকাশৰ সাক্ষী হোৱাৰ বাবে উপ-ৰাষ্ট্ৰপতিগৰাকীক অসমলৈ

আমন্ত্ৰণ জনায়। প্ৰায় আধা ঘণ্টা সময় ধৰি হোৱা বৈঠকত ড০ শৰ্মাই শ্ৰীৰাধাকৃষ্ণনক অসমৰ উন্নয়নৰ বিষয়েও অৱগত কৰে। নতুন দিল্লীৰ উপ-ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা আগষ্ট মাহত উপ-ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাৰ বাবে শ্ৰীৰাধাকৃষ্ণণক অভিনন্দন জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে এই বৈঠকৰ কথা প্ৰকাশ কৰিছে।

০০০০০০

অসমৰ সংবাদ জগতৰ মহীৰূহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ অধ্যক্ষ তথা বিশিষ্ট সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাই ৰাজ্যখনৰ সংবাদজগতলৈ আগবঢ়াই থৈ যোৱা অৱদানক ত্বৰান্বিত গতি দি পুত্ৰ প্ৰফুল্ল গোবিন্দ বৰুৱাই এই ক্ষেত্ৰখনক আৰু বেছি সমৃদ্ধ কৰিছে। দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সাংবদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

ডিব্ৰুগড়ত ১৯৩৩ চনৰ ২৬ জুলাইত জন্মগ্ৰহণ কৰা বৰুৱাই পূৰ্বৰ কটন মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞান বিষয়ত অধ্যয়ন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ কলকাতাত কলেজীয়া শিক্ষা লাভ কৰি দা ষ্টেট্ছমেন কাকতত সাংবাদিকতাৰ জীৱন আৰম্ভ কৰিছিল আৰু পৰৱৰ্তী সময়ত এই ক্ষেত্ৰখনতে সক্ৰিয়ভাৱে জড়িত হৈ পৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে কেইবাটাও দশক দৰি অসমৰ সংবাদক্ষেত্ৰক মহীয়ান কৰা প্ৰবীন সাংবাদিকগৰাকীয়ে বাতৰি কাকতৰ এটা যাউতিযুগীয়া ধাৰাৰ সৃষ্টি কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। চিকিৎসালয়ৰ পৰা তেওঁৰ নশ্বৰদেহ প্ৰথমে চানমাৰিৰ বাসগৃহলৈ আৰু তাৰ পাছত আছাম ট্ৰিবিউনৰ চৌহদলৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব।

০০০০০০

চলিত বৰ্ষত অসমত ১২টা বাঘৰ মৃত্যু হোৱা বুলি ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণে তথ্য প্ৰকাশ কৰিছে। যোৱা ১২ ডিচেম্বৰ পৰ্যন্ত দিয়া তথ্য অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৭টা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান এটা বাঘৰ মৃত্যু হৈছে। তদুপৰি ৰাজ্যৰ অন্যান্য স্থানত কেইবাটাও বাঘ মানুহে হত্যা কৰিছে। বাঘৰ মৃত্যুৰ কাৰণ হিচাপে বিভিন্ন ৰোগ, মানুহ আৰু বন্যজন্তুৰ সংঘাত আদিৰ কথা প্ৰাধিকৰণে উল্লেখ কৰিছে। প্ৰাধিকৰণৰ তথ্য অনুসৰি চলিত বৰ্ষত দেশত মুঠ ১২৬টা বাঘৰ মৃত্যু হৈছে। যোৱা বছৰৰ তুলনাত দেশত এইবাৰ ৩১টা অধিক বাঘৰ মৃত্যু হৈছে। বিগত সময়ছোৱাত মধ্যপ্ৰদেশত সৰ্বাধিক ৫২টা, মহাৰাষ্ট্ৰত ৩৭টা, কৰ্ণাটকত ১৪টা, কেৰালাত ১৩টা আৰু তামিলনাডুত ১০টা বাঘৰ মৃত্যু হোৱা বুলি ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণে প্ৰকাশ কৰিছে।

০০০০০০

সত্ৰপীঠ মাজুলীৰ শ্ৰীশ্ৰী আদি বিহিমপুৰ সত্ৰৰ শংকৰ-মাধৱ মিলত ক্ষেত্ৰত কালিৰে পৰা ২০২৫ বৰ্ষৰ অসম শিশু ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত এহেজাৰ এগৰাকী শিল্পীয়ে বৰগীত পৰিৱেশন কৰে। মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত আৰু মাজুলীবাসীৰ সহযোগত প্ৰথমবাৰৰ বাবে মাজুলীত অনুষ্ঠিত এই ভাওনা সমাৰোহত বিশিষ্ট কণ্ঠশিল্পী, জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যা সাগৰে বৰগীতৰ কাৰ্যসূচী উদ্বোধন কৰে। অধ্যক্ষগৰাকীয়ে অসমীয়া জাতিৰ উত্তৰণত মহাপুৰুষ গুৰু দুজনাৰ সৃষ্টিৰাজিৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে।

*-বাইট-*

অসম শিশু ভাওনা সমাৰোহত ৰাজ্যৰ বিভিন্ন জিলাৰ শিল্পী দলে ২০ খনকৈ ভাওনা প্ৰদৰ্শন কৰিব। সামৰণিৰ দিনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ২০২৫ বৰ্ষৰ 'আন্দাৰ দা শাল ট্ৰী' নাট সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত তিনিখন নাট মঞ্চস্থ কৰা হ'ব। আজি পুৱা ১০ বজাত ৰাভা ভাষাৰ নাট 'ৰঞ্জুমুখ' মঞ্চস্থ কৰা হ'ব। প্ৰয়াত নাট্যকৰ্মী শুক্ৰাচাৰ্য ৰাভাই প্ৰতিষ্ঠা কৰা বাদুংদুপ্পা কলাকেন্দ্ৰৰ উদ্যোগত প্ৰতিবছৰে শাল গছৰ তলত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত কৃত্ৰিম দৃশ্যসজ্জা, বৈদ্যুতিক লাইট, আধুনিক বাদ্যযন্ত্ৰৰ অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। বিগত ১৬ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত শ শ শালগছৰ মাজৰ এডোখৰ মাটিক মঞ্চ ৰূপ দি দিনৰ ভাগত নাট মঞ্চস্থ কৰি অহা হৈছে। এই নাট সমাৰোহৰ জৰিয়তে থলুৱা লোকনাট্য সংস্কৃতিক ব্যতিক্ৰমীভাৱে জীয়াই ৰখাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত আৰু অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অনুষ্ঠিত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ তৃতীয় দিনা কালি ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত চাৰিগৰাকী প্ৰয়াত সাংবাদিকৰ সোঁৱৰণত বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতে ডিব্ৰুগড় নগৰ কবি সন্মিলনৰ উদ্যোগত 'ডিবৰুপাৰৰ কবিতা' শীৰ্ষক কবিতা পাঠৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। কবি সন্মিলনৰ সম্পাদক ড° বাৰিন্দ্ৰ দাসে আঁত ধৰা অনুষ্ঠানটোত ডাঃ ৰঞ্জিত কুমাৰ বৰুৱা, চেনিৰাম গগৈ, ৰাজশ্ৰী সেনাপতিকে ধৰি ভালেসংখ্যক কবিয়ে কবিতা পাঠ কৰে। এই অনুষ্ঠানতে ড° কৰবী ডেকা হাজৰিকাই এখন কাব্য সংকলন উন্মোচন কৰে। গ্ৰন্থমেলাত আজি ডিব্ৰুগড় জিলা মহিলা সমিতিৰ সাম্প্ৰতিক সময়ত শিশুৰ বাবে সমাজকৰ্মীৰ কৰণীয় শীৰ্ষক আলোচনা, ড° ৰাধাকৃষ্ণণ বিদ্যালয়ৰ বাৰে ৰহণীয়া সাংস্কৃতিক অনুষ্ঠানকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হ'ব।

০০০০০০

ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাই কালি নগাঁৱৰ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। মুখ্য সচিবগৰাকীৰ সৈতে অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকল্পটোৰ সামগ্ৰিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প শীৰ্ষক এটা অভিলাষী প্ৰকল্প ৰূপায়ণ কৰিছে। অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই প্ৰকল্পটো উদ্বোধন কৰিব। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫০ হাজাৰৰো অধিক ভকত-বৈষ্ণৱৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। অনুষ্ঠানত দুহেজাৰ গায়ন-বায়ন আৰু সহস্ৰাধিক শিল্পীয়ে সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিব বুলি নগাঁৱৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

বিজেপি সংসদীয় পৰিষদে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বিহাৰৰ মন্ত্ৰী তথা পাঁচবাৰৰ বিধায়ক নীতিন নবীনক দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে। এগৰাকী সাংগঠনিক নেতা হিচাপে বহুলভাৱে পৰিচিত শ্ৰীনবীনে সম্প্ৰতি পাটনাৰ বাংকিপুৰ বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰে। তেওঁ লগতে নীতিশ কুমাৰ নেতৃত্বাধীন বিহাৰ চৰকাৰত পথ নিৰ্মাণ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ নেতাগৰাকীক ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি লাভ কৰাৰ বাবে শুভেচ্ছা জনাইছে। শ্ৰীমোদীয়ে বিহাৰৰ কেইবাবাৰৰ বিধায়ক তথা মন্ত্ৰী হিচাপে নীতিন নবীনৰ যথেষ্ট সাংগঠনিক অভিজ্ঞতা আছে বুলি উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ

শইকীয়া, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি দলীয় নেতাসকলে নতুন ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীলৈ শুভেচ্ছা জনাইছে।

০০০০০০

ধৰমশালাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ৭ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰি দিয়া ১১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে ১৫ অভাৰ ৫টা বলতে তিনিটা উইকেটৰ বিনিময়ত ১২০ ৰান কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ অভিষেক শৰ্মাই সৰ্বাধিক ৩৫ ৰান কৰে। তিলক বাৰ্মা ২৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ এইডেন মাৰ্কৰামে সৰ্বাধিক ৬১ ৰাণ কৰে। ভাৰতৰ হৈ অৰ্শ্বদীপ সিং, হৰ্ষিত ৰাণা, বৰুণ চক্ৰবৰ্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। এই জয়ৰ সুবাদত ভাৰতে সম্প্ৰতি শৃংখলাটোত ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

টি-২০ শৃংখলাৰ চতুৰ্থখন খেল পৰহিলৈ লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিমখন খেল অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

নীতিন নবীনক বিজেপিৰ শীৰ্ষ পদ, প্ৰধানমন্ত্ৰীক আদৰিবলৈ সাজু ৰাজ্য চৰকাৰ, প্ৰবীন সাংবাদিক তথা আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ অধ্যক্ষ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যু আদিৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ প্ৰশ্নকাকতত ব্যাপক বিসংগতিৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন আৰু দৈনিক অসম কাকতক দীৰ্ঘদিন ধৰি নেতৃত্ব দি অহা প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুৰ বাতৰিক দৈনিক অসম আৰু দি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত বিভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে। এই একেটা বাতৰিক অন্যান্য বাতৰি কাকতেও প্ৰকাশ কৰিছে।

বিগত ১০ বছৰত প্ৰশাসনে ২ লাখ ৫৮ হাজাৰ ৪১ বিঘা ভূমি দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিছে। ইয়াৰে ২ লাখ ৩২ হাজাৰ ৫৩৩ বিঘা বনাঞ্চলৰ আৰু ২৫ হাজাৰ ৫০৮ বিঘা চৰকাৰী ভূমি। এই তথ্যৰে দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

বিগত চাৰিদিন ধৰি নাগালেণ্ডৰ জুকো উপত্যকা বনজুইয়ে আগুৰি ধৰা আৰু প্ৰশাসনে এই বনজুই নিৰ্বাপনৰ বাবে হেলিকপ্টাৰ ব্যৱহাৰৰ সিদ্ধান্ত লোৱাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ২০ আৰু ২১ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰিবলৈ চৰকাৰ আৰু প্ৰশাসনে যুদ্ধকালীন তৎপৰতা চলোৱা এটা বাতৰি আমাৰ অসম, অসমীয়া খবৰ আদি কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

বাঁহেৰে নিৰ্মিত গুৱাহাটী বিমানবন্দৰৰ নতুন টাৰ্মিনেল প্ৰধানমন্ত্ৰীয়ে অহা ২০ ডিচেম্বৰত আনুষ্ঠাকিভাৱে মুকলি কৰিব। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

ইহুদীসকলৰ উৎসৱ হানুকা উদযাপনৰ প্ৰথম দিনা কালি সন্ধিয়া অষ্ট্ৰেলিয়াৰ ছিডনীৰ বন্দী তীৰত সংঘটিত গুলীচালনাৰ বাতৰিটো দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**